# অধ্যায় ৭ ঃ ভাষা বিজ্ঞানৰ অধ্যয়নৰ বিভিন্ন স্তৰ ঃ বাক্যতত্ত্ব

## অধ্যায় গাঁথনি


৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ বাক্যতত্ত্ব ঃ সাধাৰণ আলোচনা

৭.৩.১ বাক্যতত্ত্বৰ পৰিসৰ

৭.৩.২ পৰম্পৰাগত বাক্যতত্ত্ব

৭.৩.৩ আধুনিক বাক্যতত্ত্ব

৭.৪ বাক্যতত্ত্ব আৰু ব্যাকৰণ

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৭.৮ আৰ্হি প্ৰশ্ন


## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাক্যতত্ত্ব সম্পৰ্কে ধাৰণা লাভ কৰিব
- বাক্যতত্ত্বৰ পৰিসৰ সম্পৰ্কেও জানিব পাৰিব
- বিভিন্ন দিশৰ পৰা কৰা বাক্যতত্ত্বৰ শ্ৰেণী বিভাগসমূহ পৰ্যালোচনা কৰিব পাৰিব
- পৰম্পৰাগত বাক্যতত্ত্বৰ বিষয়ে বৰ্ণনা দিব পাৰিব
- আধুনিক বাক্যতত্ত্বৰ বিষয়েও আপুনিও জানিব পাৰিব
- বাক্যতত্ত্ব আৰু ব্যাকৰণৰ সম্পৰ্কৰ বিষয়েও জানিব পাৰিব।

## ৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ ভাষা শাখাৰ 'ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়', শিৰোনামৰ পাঠ্যবিষয়ৰ এইটো সপ্তম অধ্যায়। অধ্যায়টোৰ নাম 'ভাষা বিজ্ঞানৰ অধ্যয়নৰ বিভিন্ন স্তৰ ঃ বাক্যতত্ত্ব'। ইয়াৰ পূৰ্বৱৰ্তী অধ্যায়ত আপুনি ৰূপতত্ত্বৰ চমু পৰিচয় লাভ কৰাৰ লগতে ব্যাকৰণৰ লগত ৰূপতত্ত্বৰ সম্পৰ্কত জানিব পাৰিলে। এই অধ্যায়টি বাক্যতত্ত্বৰ পৰিচয়, পৰিসৰৰৰ বিষয়ে আলোচনা কৰা হ'ব। পৰম্পৰাগত, আধুনিক এই দুয়োবিধ বাক্যতত্ত্বৰ আলোচনা কৰা হ'ব। বাক্যতত্ব আৰু ব্যাকৰণৰ বিষয়েও আলোচনা কৰা হৈছে। এতিয়া আমি মূল বিষয়ৰ আলোচনালৈ আহোহঁক।

## ৭.৩ বাক্যতত্ত্ব ঃ সাধাৰণ আলোচনা

ভাষাৰ জৰিয়তে মানুহ এজনে আনজনৰ মনৰ ভাৱ ব্যক্ত কৰে বাক্যই হৈছে এটা ভাষাৰ চানেকী। মানুহে কথা কওঁতে বাগিন্দ্ৰিয়ৰ পৰা কিছুমান ধ্বনি উচ্চাৰণ কৰে। এই ধ্বনিবোৰ এটা বা ততোধিক লগ হৈ এটা অৰ্থ বুজায় শব্দৰ সৃষ্টি কৰে। এই শব্দবোৰ পিছত বিভিন্ন ক্ৰমত সজায়, বাক্য গঠন কৰা হয়। বাক্য হ'বলৈ এটা অৰ্থ প্ৰকাশ হ'ব লাগিব। এনেদৰে মানুহে মনৰ ভাৱ-চিন্তা আদি প্ৰকাশ কৰে। ভাষা এটাৰ মৰ্যাদা এটা বাক্যৰ ওপৰত নিহিত। বাক্যত ব্যৱহাৰ হোৱা পদসমূহৰ এটা নিৰ্দিষ্ট প্ৰণালী আছে।

কোনো এটা ভাষাত ব্যৱহৃত পদসমূহৰ প্ৰণালী ইটো পদৰ লগত সিটো পদৰ সম্পৰ্ক, সেই সম্পৰ্কৰ প্ৰকাৰ ভেদ আদিৰ বিশ্লেষণ বাক্যতত্ত্বত কৰা হয়। বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ (Syntax) । Syntax শব্দটো গ্ৰীক ভাষাৰ শব্দ। 'Syn' মানে together, tanin মানে an arranigng অৰ্থাৎ প্ৰণালীবদ্ধ গাঁথনি বুলি ক'ব পাৰি। গতিকে শব্দগত অৰ্থৰ পৰা বুজিব পাৰি যে শব্দৰ শৃংখলাবদ্ধ সাজোনেৰে ভাষাৰ অৰ্থবহ সৰ্ববৃহৎ গোট বা বাক্য নিৰ্মাণৰ প্ৰক্ৰিয়াক বাক্যতত্ত্ব বোলা হয়। কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যত ৰূপান্তৰ বাক্যৰ অন্তৰ্নিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অংগ বিচাৰ আদি বিভিন্ন দিশবোৰ বাক্যতত্ত্বত আলোচনা কৰা হয়। বাক্যতত্ত্বৰ পৰিসৰ ব্যাপক। পৰম্পৰাগত ব্যাকৰণত বাক্যৰ প্ৰকাৰভেদ, বাক্যৰ গঠন, বাক্যৰ সম্প্ৰসাৰণ বা সংকোচন, বাক্যৰ ৰূপান্তৰকৰণক সামৰা হৈছে।

বাক্যতাত্ত্বিক স্তৰত বাক্যত ব্যৱহৃত একাধিক সুসংগঠন বাক্য সৃষ্টিৰ সম্পৰ্কে আলোচনা কৰা হয়। ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, অৰ্থতত্ত্ব এই সকলো উপাদানেৰে একোটা সহ সম্বন্ধ আছে। তলত ৰেখাচিত্ৰৰ সহায়ত দেখুওৱা হ'ল—

ধ্বনি— ভাষা— অৰ্থ— বাক্য— ৰূপ

এই সকলোবোৰৰ উপৰিও সুৰ লহৰো বাক্য গঠনৰ প্ৰয়োজনীয় উপাদান যেনে—

(ক) তুমি বজাৰলৈ যাবা।

(খ) তুমি বজাৰলৈ যাবা?

ইয়াত বজাৰলৈ শব্দটো উচ্চাৰণ কৰোঁতে সুৰ লহৰ অকস্মাত উদ্ধগামী হৈছে আৰু যাম বুলি কওঁতে সুৰ নিম্নগামী হৈ এটা দীৰ্ঘ বিৰোধ সূচনা কৰিছে। ইয়াৰ ফলত বাক্যটো—

(ক) নিশ্চয়সূচক অৰ্থ আৰু

(খ) প্ৰশ্নসূচকলৈ পৰিণত হৈছে।

### ৭.৩.১ বাক্যতত্ত্বৰ পৰিসৰ

ইয়াৰ পূৰ্বৰ অধ্যায়টিৰ আলোচনাত ৰূপতত্ত্বৰ পৰিচয় লাভ কৰিলে। এই অধ্যায়টোত বাক্যতত্ত্ব আলোচিত হৈছে। বাক্যতত্ত্বৰ পৰিসৰ অতি ব্যাপক। বাক্য এটা

গঠন হ'বলৈ ধ্বনি, ৰূপ শব্দ, অৰ্থ, সুৰ আদি সকলো প্ৰয়োজনীয় সামগ্ৰী। সেয়ে বাক্যতত্ত্বৰ ভিতৰচোৱাত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, অৰ্থতত্ত্ব আদিৰো বিতং আলোচনা কৰা হয়। ভাষাভেদে বাক্য গঠনৰ প্ৰণালী আলোচনা কৰাৰ উপৰিও বাক্যৰ প্ৰকাৰভেদ আদিৰ আলোচনাও বাক্যতত্ত্বৰ ভিতৰুৱা। ধ্বনিতাত্ত্বিক স্তৰত ধ্বনি, বৰ্ণ, উপধ্বনি আৰু অক্ষৰ এই বিষয়সমূহ আলোচনা কৰা হয়। ৰূপতাত্ত্বিক স্তৰত আকৃতি, প্ৰকৃতি, উপাকৃতি আদিৰ সূক্ষ্ম বিচাৰ কৰাৰ উপৰি প্ৰকৃতিৰ পৰা সৃষ্ট শব্দ আৰু পদৰ সম্পৰ্কেও আলোচনা কৰা হয়। বাক্যতাত্ত্বিক স্তৰত বাক্যৰ স্তৰৰ নিম্নতম গোট অৰ্থাৎ পদসমূহৰ সুসংগঠনত বাক্যসৃষ্টিৰ সম্পৰ্কে আলোচনা কৰা হয়। অৰ্থতত্ত্বৰ স্তৰত শব্দৰ অৰ্থ বিশ্লেষণ আৰু সম্পূৰ্ণ ভাৱ প্ৰকাশক একোটা বাক্যৰ অৰ্থ বিচাৰ কৰা হয়। উল্লিখিত সকলোবোৰ উপাদানৰে এটা বাক্য গঠিত হয় আৰু প্ৰত্যেক উপাদানৰে একোটা সহ সম্বন্ধ আছে। বাক্যতত্ত্বত সুৰ আৰু লহৰৰ সময়টো বাক্যসমূহ ৰূপান্তৰ হয়। আধুনিক ভাষাবিজ্ঞানী সকলে বাক্যৰ যোগ্যতা, আকাংক্ষা আৰু আসক্তি এই তিনিওটা বিষয়ৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। বাক্যতত্ত্বৰ আলোচনা বাক্যবিন্যাস বা কথাবিন্যাসৰ পৰিধিক সামৰে। অসমীয়া ভাষাৰ বাক্যৰ শ্ৰেণীবিভাগ চাৰিটা ভিন্ ভিন্ দিশৰ পৰা কৰিব পৰা যায়—

(ক) বাক্যৰ গাঁথনিক দিশৰ পৰা

(খ) অৰ্থৰ দিশৰ পৰা

(গ) বাক্যত ক্ৰিয়াই প্ৰকাশ কৰা ভাগৰ দিশৰ পৰা

(ঘ) বাক্যত কৰ্তা, কৰ্ম, অথবা ক্ৰিয়াই লাভ কৰা প্ৰাধান্যৰ দিশৰ পৰা।

(ক) বাক্যক গাঁথনিক দিশৰ পৰা তিনিটা ভাগত ভাগ কৰিব পাৰি— সৰল বাক্য, যুগ্ম বা যৌগিক বাক্য আৰু জটিল বাক্য।

সৰল বাক্য ঃ অসমীয়া ভাষাৰ সৰল বাক্যৰ স্বাভাৱিক গঢ় হৈছে কৰ্তা, কৰ্ম, ক্ৰিয়া। কেতিয়াবা কৰ্তাহীন, কৰ্মহীন আৰু ক্ৰিয়াহীন সৰল বাক্যও পোৱা যায়। কেতিয়াবা এটা মাত্ৰ শব্দই এটা সৰল বাক্যৰ অৰ্থ বহন কৰে। যেনে— বহা, হয় আদি। ইয়াত এটা বাক্য নিহিত থাকে যেনে—তুমি বহা।

যুগ্ম বা যৌগিক বাক্য ঃ দুই বা ততোধিক সৰল বাক্যৰ কোনো সংযোজন বা বিয়োজক অধ্যয়ৰ সহায়ত লগ লগাই যুগ্ম বাক্য গঠন কৰা হয়।

জটিল বাক্য ঃ দুটা বা ততোধিক সৰল বাক্যক কোনো বিশেষ ধৰণে সংযোগ কৰি জটিল বাক্য গঠন কৰা হয়। জটিল বাক্য হ'বলৈ তাত কমেও দুটা উপবাক্য থাকিব লাগিব আৰু প্ৰতিটো উপ বাক্যতে একোটা উদ্দেশ্য আৰু একোটা বিধেয় থাকিব লাগিব।

(খ) অৰ্থ বা ভাব অনুযায়ী বাক্যক পাঁচোটা ভাগত ভগাব পাৰি। যেনে—

(ক) বৰ্ণনাত্মক বাক্য

(খ) আদেশ-অনুৰোধসূচক বাক্য

(গ) প্ৰশ্নসূচক বাক্য

(ঘ) বিষয়সূচক বাক্য

(ঙ) ইচ্ছাসূচক বাক্য

(গ) বাক্যত ক্ৰিয়াই প্ৰকাশ কৰা ভাবৰ দিশৰ পৰা বাক্যত ক্ৰিয়াই হৈছে গুৰুত্বপূৰ্ণ অংগ। ক্ৰিয়াৰ অন্তৰ্নিহিত ভাব অনুসৰি বাক্যৰ প্ৰকৃতিও বেলেগ বেলেগ হয়। ক্ৰিয়াই কোনো কাৰ্যৰ আভাস দিব পাৰে বা আদেশ বা অনুৰোধ প্ৰকাশ কৰিব পাৰে। সেই অনুসৰি বাক্যক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয়।

১। নিৰ্দেশাত্মক বাক্য

২। অনুজ্ঞাবোধক বাক্য

১। নিৰ্দেশাত্মাক বাক্য ঃ নিৰ্দেশাত্মক সমাপিকা ক্ৰিয়া থকা বাক্যক নিৰ্দেশাত্মক বাক্য বোলে।

২। অনুজ্ঞাবোধক বাক্য ঃ অনুজ্ঞাভাৱৰ সমাপিকা ক্ৰিয়া থকা বাক্যক অনুজ্ঞাবোধক বাক্য বোলে।

নিৰ্দেশাত্মক বাক্যক আকৌ তিনিটা উপৰিভাগত ভাগ কৰিব পাৰি—

(ক) ইতিবাচক

(খ) নেতিবাচক

(গ) প্ৰশ্নবোধক

**(ক) ইতিবাচক ঃ** ইতিবাচক বাক্যত ক্ৰিয়াই সূচনা কৰা কাৰ্য স্থিতিৰ যথাযথ বৰ্ণনা থাকে। যিকোনো কালৰ ক্ৰিয়া হ'ব পাৰে। যেনে— ছাগলীয়ে ঘাঁহ খায়।

**(খ) নেতিবাচক ঃ** বাক্যত ক্ৰিয়াই সূচনা কৰা কাৰ্য বা স্থিতিৰ নহয় বা নোহোৱা বুজাবলৈ নেতিবাচক বাক্য হয়। যেনে— ৰমেন আজি স্কুললৈ নগ'ল।

**(গ) প্ৰশ্নবোধক ঃ** নিৰ্দেশাত্মক সাৰ বাক্যৰ পৰা প্ৰশ্নবোধক বাক্য গঠন কৰা হয়। যেনে—তুমি নাহিলা। তুমি নাহিলা?

২। অনুজ্ঞাবোধক বাক্য ঃ যি বাক্যই কৰ্তাক কোনো অনুৰোধ বা আদেশ কৰা বা নিৰ্দেশ দিয়া বুজাই তেনে বাক্যক অনুজ্ঞাবোধক বাক্য বোলে। এনে বাক্যৰ উদ্দেশ্যৰ ঘৰত কেৱল কৰ্তা বহে আৰু কৰ্তা প্ৰায়েই দ্বিতীয় পুৰুষৰ হয় কিন্তু উহ্য থাকে। কৰ্তা কেতিয়াবা তৃতীয় পুৰুষৰ সৰ্বনাম বা বিশেষ্যও হ'ব পাৰে। অসমীয়াত অনুজ্ঞা বুজোৱা কোনো বিশেষ ক্ৰিয়া বিভক্তি নাই। যেনে (তই) স্কুললৈ যা।

(ঘ) বাক্যত কৰ্তা, কৰ্ম অথবা ক্ৰিয়াই লাভ কৰা প্ৰাধান্যৰ ভিত্তিত বাক্যৰ শ্ৰেণীবিভাগ বা বাচ্যৰ ভিত্তিত শ্ৰেণীবিভাগ বাচ্য মানে হ'ল ক'বলগীয়া। বাচ্যত কেতিয়াবা কৰ্ম আৰু কেতিয়াবা ক্ৰিয়াৰ কথাই মুখ্যভাৱে প্ৰকাশ কৰিবলগীয়া বিষয় হৈ পৰে। ইয়াকে বাচ্য বোলে। বাচ্যৰ ভিত্তিত বাক্যৰ তিনি প্ৰকাৰ বিভাজন আছে—

**কর্তৃবাচ্যৰ বাক্য ঃ** যি বাক্যাত কর্তাই মুখ্য স্থান গ্ৰহণ কৰে আৰু আৰু কর্তাই কাৰ ওপৰত কিহৰ সহায়ত কেনেকৈ কেতিয়া কি কাৰণে কোনো কার্য সম্পদান কৰে সেই কথাই প্ৰাধান্য লাভ কৰে, এনে বাক্যক কর্তৃবাচ্য বাক্যবোলে। যেনে— ৰামে কুঠাৰেৰে গছডাল কাটিলে। এই বাক্যত কর্তা ৰাম অবিহনে বাকী অংশ নিৰর্থক।

**কর্মবাচ্যৰ বাক্য ঃ** যি বাক্যত কর্মই মুখ্যস্থান গ্ৰহণ কৰে আৰু প্ৰায়েই উদ্দেশ্যৰ স্থানত বহা, কর্মৰ লগত ক্ৰিয়াৰ সম্পর্ক স্থাপিত হয়, সেই বাক্যক কর্মবাচ্য বোলে। যেনে— এঘাৰ তাৰিখে ৰিজাল্ট দিব। ইয়াত ৰিজাল্ট দিয়া কথাটো মুখ্য বক্তব্য কাৰ, কিহৰ ৰিজাল্ট দিব সেইটো দৰকাৰী কথা নহয়।

**ভাববাচ্যৰ বাক্য ঃ** যি বাক্যত ক্ৰিয়াৰ কার্যৰ বিষয়ে বর্ণনা মুখ্য আৰু কর্তা আৰু কর্ম দুয়ো গৌণ, সেই বাক্যই ভাববাচ্যৰ বাক্য। যেনে— কেতিয়াবা অহা হ'ল? ইয়াত কর্তা বা কর্মই প্ৰাধান্য পোৱা নাই। ক্ৰিয়াহে মুখ্য।

ওপৰত উল্লিখিত আলোচনাৰ পৰা আপুনি অসমীয়া বাক্যতত্ত্বৰ পৰিধি বা পৰিসৰ সম্পৰ্কে জানিব পাৰিব।

## ৭.৩.২ পৰম্পৰাগত বাক্যতত্ত্ব

পৰম্পৰাগত বাক্যতত্ত্বত বাক্যৰ প্ৰকাৰ ভেদে বাক্যৰ গঠন, বা বস্তুৰ সম্প্ৰসাৰণ বা সংকোচন, বাক্যৰ ৰূপান্তৰকৰণক সামৰি হৈছিল। 'Syntax' অভিধাটো প্ৰাচীন লেখকসকলে ব্যৱহাৰ কৰিছিল। গ্ৰীক ব্যাকৰণ বিদ এপলেনিওছ তুস্কোলেছৰ '*peri syntaxcos*' গ্ৰন্থত পোন প্ৰথমে এই অভিধাটো অন্তর্ভূক্ত হৈছিল। পৰম্পৰাগত বাক্যতাত্ত্বিকসকলে বাক্যৰ বিশ্লেষণৰ ওপৰত গুৰুত্ব দিছিল। এৰিষ্ট'টলে তেওঁৰ 'cratylus' গ্ৰন্থত বিশ্লেষণাত্মক দৃষ্টিভংগীৰে ভাষাৰ আলোচনাত প্ৰবৃত্ত হৈছিল। এৰিষ্টটল প্লেটোৰ শিষ্য আছিল। তেওঁ বাক্যত কর্তা আৰু ক্ৰিয়া এই দুটা ভাগত ভাগ কৰিছে। পদ প্ৰকৰণৰ অর্থ বাক্যৰ প্ৰকৰণ বুলিহে গ্ৰীক দার্শনিকসকলেও ব্যক্ত কৰিছিল। গ্ৰীক ব্যাকৰণত হেৰোডিয়ানুছ আৰু তেওঁৰ পিতৃ এপোলোনিওছ তুস্কোলেছে পদক আঠ প্ৰকাৰত ভাগ কৰি আলোচনা কৰিছিল আৰু বাক্যতত্ত্ব আৰু সুৰাঘাতৰ বিষয়েও আলোছনা কৰিছিল। ৰোমানসকলেও বিশেষকৈ বেৰো এ ভাষাৰ বুৎপত্তি, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব এই তিনিওটা দিশৰ বিষয়ে ব্যাকৰণত আলোচনা কৰিছিল। লেটিন ভাষাতত্ত্ববিদ প্ৰিছকিয়ানৰ Institutions Grammatical' নামৰ গ্ৰন্থখনত শেষৰ দুটা অধ্যায়ত বাক্য সম্পৰ্কে আলোচনা কৰা হৈছিল যদিও বাক্যতত্ত্বৰ আলোচনা বিজ্ঞানভিত্তিক পদ্ধতিৰে হৈছিল। তথাপিও তাত সীমাবদ্ধতা লক্ষণীয়।

## ৭.৩.৩ আধুনিক বাক্যতত্ত্ব

আধুনিক ভাষাবিজ্ঞানীসকলে বাক্যতাত্ত্বিক অধ্যয়নত অধিক গুৰত্ব দিছিল। ভাষাবিজ্ঞানী লিঅনার্ড' ব্লুমাফিল্ডে 'Language' নামৰ গ্ৰন্থত প্ৰথমে বাক্যৰ পদ গঠনৰ স্বাভাৱিক ৰীতিৰ বিশ্লেষণৰ বিষয়ে উল্লেখ কৰে। তেওঁ বাক্যৰ পদ গঠনৰ ৰীতি বিশ্লেষণৰ ক্ষেত্ৰত আসন্ন অংগ বিচাৰ পদ্ধতিৰ কথাও উল্লেখ কৰে। এই পদ্ধতিক চমুকৈ I.C বুলি কোৱা হয়। নিদা আৰু জেইল্‌ছ হেৰিচে এই পদ্ধতিক বহলভাৱে বিকাশ ঘটায়। নোৱাম চমস্কিৰ 'Syntactic structure' আৰু *'Aspects of the Theory of Syntax'* গ্ৰন্থ দুখনত বাক্যতাত্ত্বিক দিশৰ নব্য চিন্তাৰ উন্মেষ ঘটায়। তেওঁৰ ব্যাকৰণ বাক্যতত্ত্ব, ধ্বনিতত্ত্ব, এই দুয়োটাৰ সম্পৰ্ক নিৰ্ভৰ, বিশেষকৈ ই অৰ্থনিৰ্ভৰ। চমস্কিৰ মতে মানুহৰ অন্তৰ্লীন বা আভ্যন্তৰীণ ভাষা চেতনাৰ পৰা বাক্যৰ সৃষ্টি হয়। মানুহৰ ভাষাগত পাৰদৰ্শিতা বা অন্তৰ্লীন জ্ঞান আছে বাবেই একেখিনি ধ্বনি বা ব্যাকৰণৰ নিয়মাৱলীৰ মাজেৰে সদায় নতুন বাক্যৰ সৃষ্টি কৰিব পাৰে। চমস্কিৰ মতে ভাষাৰ ধ্বনিৰ সংযোগ আৰু ৰূপৰ সংযোগ বাহ্যিক সংগঠন মাথোন। বাক্য এটাৰ গঠনৰ বিশ্লেষণ খণ্ডবাক্য গঠনৰ নিয়মেৰে কৰিব পাৰি বুলি চমস্কিয়ে মত আগবঢ়াইছিল। চমস্কি আৰু তেওঁৰ অনুগামীসকলে বাহ্যিক আৰু আভ্যন্তৰীণ এই দুটা গঠনৰ স্তৰৰ ওপৰত ভেদ ঠাৱৰ কৰিছিল। কিছুমান বাক্য বাহিৰৰ পৰা দেখাত একে যেন লাগিলেও আভ্যন্তৰীণ গঠনৰ দুয়োটা বাক্যৰ গঠন বেলেগ বেলেগ হয়।

ফিলোমাৰে ক্ৰিয়াপদ আৰু এটা বা তাতোকৈ অধিক বিশেষ্য খণ্ডবাক্যক বাক্য গঠনৰ মূল উপাদান বুলি কৈছে। তেওঁ চমস্কিৰ ৰূপান্তৰ উৎপাদক ব্যাকৰণলৈ নতুন সংশোধনী ৰূপ আগবঢ়ায়। তেওঁ খণ্ডবাক্যই প্ৰত্যেকটো কাৰক বাচক পদৰ লগত ক্ৰিয়াৰ সম্বন্ধ নিৰ্ণয় কৰে বুলি কৈছিল।

K. L. Pike ৰ 'Tagmimics' আৰু Michael Halliday ৰ 'Systemic Grenmas' ত বাক্যতত্ত্বৰ নতুন নতুন চিন্তা দাঙি ধৰিছে। উক্ত গ্ৰন্থবোৰৰ প্ৰধান উদ্দেশ্য হৈছে, বাক্যৰ মূল গাঁথনিৰ স্বৰূপ আৱিস্কাৰ কৰা। বিভিন্ন ভাষাৰ বাক্যৰ প্ৰকৃতি আৰু স্বৰূপসমূহ নিৰ্ণয়ত এই পদ্ধতিসমূহ খটুৱাব পাৰি।

লিওনাৰ্ড ব্লুমফিল্ডে বাক্যৰ দুই প্ৰকাৰৰ গঠনৰ কথা কৈছে। এটা হৈছে অভিকেন্দ্ৰীক গঠন আনটো হৈছে আন্তঃ কেন্দ্ৰীক গঠন। চমস্কিৰ Aspucts of the theory of syntax গ্ৰন্থত দাঙি ধৰা Slandard theory ৰ মতে ভাষাৰ গঠন প্ৰণালীৰ স্তৰ চাৰিটা বুলি কৈছে। সেইকেইটা হ'ল ধ্বনি স্তৰ, অৰ্থস্তৰ আৰু বাক্যৰ বাহ্যিক গাঁথনি আৰু বাক্যৰ অভ্যন্তৰীণ গাঁথনি।

তেওঁ বাক্যগঠনত দুই প্ৰকাৰৰ নিয়মৰ কথা কৈছে। খণ্ডবাক্য গঠনৰ নিয়ম আৰু ৰূপান্তৰৰ নিয়ম। তেওঁ বিশেষ্য, খণ্ডবাক্য আৰু ক্ৰিয়া খণ্ডবাক্য এই দুই খণ্ডবাক্যৰ কথা কৈছে। এই দুই ধৰণৰ খণ্ডবাক্যৰ সহায়ত শব্দবোৰৰ সহায় লৈ বহুধৰণৰ বাক্যগঠন কৰিব পাৰি। আনহাতে খণ্ডবাক্য গঠনৰ নিয়মেৰে বাক্য খণ্ডিত কৰি বিশ্লেষণ কৰিব পাৰি। চমস্কিৰ বাক্য বিশ্লেষণৰ প্ৰাথমিক বক্তব্য হ'ল যে প্ৰত্যেক বাক্যই কেইটামান অংগৰ সমষ্টি। এই অংগবোৰত থকা নিয়মবোৰক তিনিভাগত ভাগ কৰিছে—

(ক) পদ সাংগঠনিক নিয়ম

(খ) ৰূপান্তৰ নিয়ম

(গ) ৰূপধ্বনিৰ পৰিবৰ্তনৰ নিয়ম।

## ৭.৪ বাক্যতত্ত্ব আৰু ব্যাকৰণ

বাক্যতত্ত্ব আৰু ব্যাকৰণ— এই দুয়োটা নামে ভাষাৰ আলোচনাত প্ৰযুক্ত যদিও বাক্যতত্ত্ব নতুন আৰু বাক্যৰ প্ৰাচীন। ভাৰতীয় ব্যাকৰণ অভিধাৰ প্ৰথম উল্লেখ পোৱা যায় খ্ৰীঃপূৰ্ব এহেজাৰ বছৰমান বৈদিক যুগৰ ব্ৰাহ্মণ সাহিত্যত। ব্যাকৰণ শব্দৰ ইংৰাজী প্ৰতিশব্দ 'Grammar' ৰ মূল "Grammartika'ৰ প্ৰথম ব্যৱহাৰ গ্ৰীক ভাষাৰ প্ৰথমজন ব্যাকৰণবিদ খ্ৰীষ্টপূৰ্ব শতিকাৰ ডিওনুছি ওই থাক্সাৰ জৰিয়তে হয় বুলি অনুমান কৰা হয়। বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ হৈছে Syntax'। Syntax গ্ৰীক ভাষাৰ শব্দ। বৈদিক যুগতে ব্যাকৰণ শব্দৰ উল্লেখ পোৱা যায়। যদিও খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ মহৰ্ষী পাণিনিৰ দ্বাৰা ৰচিত অষ্টাধ্যায়ী গ্ৰন্থৰ মাজেৰে ব্যাকৰণ চিন্তাৰ প্ৰণালীবদ্ধ আৰু সুনিৰ্দিষ্ট আত্মপ্ৰকাশ ঘটে। ব্যাকৰণ শব্দটিৰ অৰ্থ হ'ল বিশ্লেষণ কৰা অৰ্থাৎ ভাষাৰ গঠনৰ বিভিন্ন উপাদানসমূহ তন্ন তন্নকৈ ব্যাখ্যা কৰা। আনহাতে বাক্যতত্ত্বত কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তৰ্নিহিত সুৰ, বাক্যাংশ বাক্যৰ নিকটস্থ অংগ বিচাৰ বাক্যৰ সৃজন ক্ষমতা আদি বিভিন্ন দিশবোৰহে আলোচনা কৰা হয়। পাণিনীৰ *অষ্টাধ্যায়ীত* আঠটি অধ্যায় আৰু প্ৰায় চাৰিহাজাৰ সূত্ৰ আছে। এই গ্ৰন্থখনৰ মূল নাম শব্দানুশাসনম। পাণিনীৰ পৰৱৰ্তীকালত অসংখ্য বাক্যৰণবিদ আৰু বাৰটা পৰ্যন্ত ব্যাকৰণৰ ধাৰা উদ্ভৱ হৈছিল যদিও কাত্যায়ন, পতঞ্জলি আৰু ভতৃহৰি এই তিনি গৰাকী ব্যাকৰণবিদকহে নতুনত্বৰ বাহক বা দিক নিৰ্ণয়ক বুলি ক'ব পাৰি। বাক্যতত্ত্বৰ ক্ষেত্ৰত ব্যাকৰণৰ পৰিসৰ বিস্তৃত। বাক্যতত্ত্বৰ সাধাৰণতে কোনো এটা ভাষাৰ বাক্যৰ দিশটোৰহে পুংখানুপুংখ আলোচনা কৰে। কেতিয়াবা বাক্যৰ লগত এৰাব নোৱাৰা সম্পৰ্ক থকা ভাষাবিজ্ঞানৰ আন শাখা যেনে ৰূপতত্ত্ব আৰু অৰ্থতত্ত্ব আলোচনা কৰা হয়। আনহাতে ব্যাকৰণত কোনো এটা ভাষাৰ ব্যৱহাৰিক দিশবোৰৰ প্ৰতিটো দিশৰ প্ৰতি লক্ষ ৰাখি ভাষাৰ প্ৰচলিত নিয়মবোৰ দাঙি ধৰা হয়। বাক্যতত্ত্বত কোনো এটা ভাষাৰ মান্য আৰু উপ দুয়োটা ৰূপৰে ভাগৰ বিষয়ে আলোচনা কৰে। আনহাতে ব্যাকৰণত কেৱল ভাষাটোৰ মান্য

ৰূপটোৰহে বিশ্লেষণ থাকে। ব্যাকৰণ সংৰক্ষণশীল, ভাষাৰ পৰিবৰ্তন হয় যদিও ব্যাকৰণে কিছু সময়ৰ বাবে ভাষাক নীতি নিয়মৰ মাজেৰে ৰাখিব খোজে। আনহাতে বাক্যতত্ত্ব সংৰক্ষণশীল নহয়। ভাষা এটাৰ লিখিত ৰূপটোৰ লগতে প্ৰচলিত ৰূপটোৰ ওপৰত ভাষাবিজ্ঞানীয়ে বাক্যতাত্ত্বিক অধ্যয়ন চলায়। বিষয় আৰু পদ্ধতি অনুসৰি ব্যাকৰণ কেইবা প্ৰকাৰৰো হ'ব পাৰে। যেনে— বৰ্ণনাত্মক বাক্যতত্ত্ব, ঐতিহাসিক বাক্যতত্ত্ব, তুলনাত্মক বাক্যতত্ত্ব, বিৰোধমূলক, প্ৰায়োগিক।

আনহাতে বাক্যতত্ত্বক গঠন আৰু তত্ত্ব অনুযায়ীহে ভাগ কৰা হয়। গঠন অনুযায়ী তিনিটা ভাগত ভাগ কৰিব পাৰি। (ক) সৰল বাক্য, (খ) জটিল বাক্য, (গ) যৌগিক বাক্য। অৰ্থ বা ভাব অনুযায়ী বাক্যক আকৌ পাঁচোটা ভাগত ভগাব পাৰি। যেনে (ক) বৰ্ণনাত্মক বাক্য (খ) আদেশ-অনুৰোধসূচক বাক্য (গ) প্ৰশ্নসূচক বাক্য (ঘ) বিস্ময় বা আশ্চৰ্যসূচক বাক্য (ঙ) ইচ্ছা বা ভাৱসূচক বাক্য।

সাম্প্ৰতিক যুগত ভাষা শিক্ষণৰ বাবে ব্যাকৰণ আৰু বাক্যতত্ত্ব দুয়োটাৰেই সমানে আৱশ্যক হৈ পৰিছে। ভাষা এটাৰ মূল বাক্য আৰু এই বাক্য গঠনৰ আলোচনা থকা বিষয় বাক্যতত্ত্ব আৰু ভাষা এটাৰ ব্যৱহাৰৰ বাস্তৱ ৰূপটোৰ আভাস দিব পৰা ব্যাকৰণ পুথিৰ পৰা শিক্ষণৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব বুলি ধাৰণা কৰিব পাৰি।



## ৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যায়ন কৰি বাক্যতত্ত্ব সম্পৰ্কে জানিব পাৰিলোঁ। বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ Syntax শব্দটো গ্ৰীক ভাষাৰ পৰা অহা । 'Syn' together taxia মানে arranging অৰ্থাৎ প্ৰণালীবদ্ধ গাঁথনি বুলি ক'ব পাৰি।
- বাক্য এটা গঠন হ'বলৈ ধ্বনি, ৰূপ, শব্দ, অৰ্থ, সুৰ আদি সকলো প্ৰয়োজনীয় সামগ্ৰী। বাক্যতত্ত্বৰ আলোচনাই বাক্য বিন্যাস বা কথা বিন্যাসৰ পৰিধিক সামৰে।
- পৰম্পৰাগত বাক্যতত্ত্বত বাক্যৰ প্ৰকাৰ ভেদে বাক্যৰ গঠন বা বস্তুৰ সম্প্ৰসাৰণ বা সংকোচন, বাক্যৰ ৰূপান্তৰকৰণক সামৰি হৈছিল।
- আধুনিক বাক্যতত্ত্বত ভাষা বিজ্ঞানীসকলে বাক্যৰ গঠনৰ ওপৰত অধিক গুৰুত্ব দিছিল। ভাষা বিজ্ঞানী লিঅনাৰ্ড' ব্লুমফিল্ডে, নোৱাম চমস্কি, K. L. Pike,Michael Halliday আদিৰ বাক্যতত্ত্ব ধাৰণা, ভাগ, গঠন ইত্যাদি জানিব পাৰিলোঁ।
- বাক্যতত্ত্ব আৰু ব্যাকৰণ দুয়োটা ভাষাবিজ্ঞান ভিতৰুৱা যদিও বাক্যতত্ত্ব নতুন আৰু ব্যাকৰণ প্ৰাচীন। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত অষ্টাধ্যায়ী গ্ৰন্থৰ মাজেৰে ব্যাকৰণৰ আত্মপ্ৰকাশ ঘটে।
- বাক্যতত্ত্ব অভিধানে এপলোনিওছ ডুস্কোলেছৰ Peri syntaxcos' গ্ৰন্থত পোন প্ৰথমে উল্লেখ পোৱা যায়।



**অগ্ৰগতি নিৰীক্ষণ**

**১ নং প্ৰশ্নৰ ঃ** গাঁথনিক দিশৰ পৰা বাক্যক আমি কেইটা ভাগত ভাগ কৰিব পাৰোঁ?


..........................................................................................

**২ নং প্ৰশ্নৰ** ঃ বাক্যতত্ত্ব আৰু ব্যাকৰণ সম্পৰ্কে আলোচনা কৰক।

..........................................................................................

**৩ নং প্ৰশ্নৰ** ঃ আধুনিক বাক্যতত্ত্বত নোৱাম চমস্কিৰ অৱদান শীৰ্ষক এটি আলোচনা যুগুত কৰক।

..........................................................................................



## ৭.৬ অধিক জানিবলৈ


১। কাঁৰৰ অৰ্পণা (২০০৭), *ভাষাবিজ্ঞান উপক্ৰমনিকা,* ডিব্ৰুগড় ঃ বনলতা।

২। গোস্বামী, উপেন্দ্ৰনাথ (২০০৪), *ভাষাবিজ্ঞান,* গুৱাহাটী ঃ মণিমানিক প্ৰকাশ।

৩। ঠাকুৰ, নগেন (২০১১), *ভাষা আৰু ভাষা চিন্তা,* গুৱাহাটী ঃ বনলতা।

৪। পাদুন, নাহেন্দ্ৰ (২০১৪), *ভাষাৰ তত্ত্বকথা,* ডিব্ৰুগড ঃ বাণী মন্দিৰ প্ৰকাশন।

৫। পাটগিৰি, দীপ্তি ফুকন (২০০৬), *ভাষাতত্ত্ব,* ডিব্ৰুগড় ঃ বনলতা

৬। পাঠক ৰমেশ (২০০৮), *অসমীয়া ভাষাৰ ইতিহাস,* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৭। ভট্টাচাৰ্য, বসন্তকুমাৰ (২০১৫), *ভাষা বিজ্ঞান প্ৰৱেশ,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮। শইকীয়া বৰা, লীলাৱতী, ফুকন পাটগিৰি, দীপ্তি (২০০৩), *ভাষা জিজ্ঞাসা,* গুৱাহাটী ঃ বনলতা।


## ৭.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** বাক্য কাক বোলে লিখিব।.... গাঁথনিক দিশৰ পৰা বাক্যক সৰল, যৌগিক, জটিল এই তিনিটা ভাগত ভাগ কৰিব পাৰি । ভাগকেইটা উদাহৰণসহ বুজাই লিখক।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** বাক্যতত্ত্ব আৰু ব্যাকৰণ শব্দ দুটাৰ গাঁথনিক দিশ, উদ্ভৱৰ সময় লিখিব। বাক্যতত্ত্ব আৰু ব্যাকৰণৰ সাদৃশ্য বৈসাদৃশ্য লিখিব।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** আধুনিক বাক্যতত্ত্বৰ বিষয়ে লিখিব।... আধুনিক বাক্যতত্ত্বৰ ক্ষেত্ৰত চমস্কিয়ে উল্লেখ কৰা বাক্যতত্ত্ব গঠন, ধৰণ আদি লিখিব।



## ৭.৮ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** বাক্যতত্ত্ব শব্দটিৰ ইংৰাজী প্ৰতিশব্দ কি? বাক্যতত্ত্ব সম্পৰ্কে বহলাই লিখক।

**প্ৰশ্ন ২ ঃ** বাক্যতত্ত্বৰ পৰিসৰৰ সকলো দিশ সামৰি এটা টোকা যুগুত কৰক।

**প্ৰশ্ন ৩ ঃ** অসমীয়া ভাষাৰ বাক্যৰ শ্ৰেণীবিভাগ কি কি? আলোচনা কৰক।

**প্ৰশ্ন ৪ ঃ** আধুনিক বাক্যতত্ত্ব সম্পৰ্কে বহলাই আলোচনা আগবঢ়াওঁক।

**প্ৰশ্ন ৫ ঃ** চমু টোকা লিখক ঃ
আধুনিক বাক্যতত্ত্ব, পৰম্পৰাগত বাক্যতত্ত্ব, অনুজ্ঞাবোধক বাক্য

**প্ৰশ্ন ৬ ঃ** বাচ্যৰ ভিত্তিত বাক্যক কেই ভাগত ভাগ কৰিব পাৰি? ভাগকেইটা কি কি আলোচনা কৰক।

*** ***** ***